# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# **HEADLINES**

১। বিজেপি নেতৃত্বাধীন মহাযুটি মৰ্চাই মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিপুল ভোটত জয়ী হৈছে। ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতৃত্বত আই এন ডি আই মিত্ৰজোঁটে ক্ষমতাৰ বাঘজৰী নিজৰ হাতত ৰাখিবলৈ সমৰ্থ হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ জয়ক সু-শাসন আৰু উন্নয়নৰ জয় বুলি অভিহিত কৰিছে।

৩। সমগ্ৰ দেশত আজি নৱম শিখগুৰু টেগবাহাদুৰৰ ছহীদ দিৱস পালন কৰা হৈছে।

৪। ভাৰতে পাৰ্থ টেষ্টৰ আজি তৃতীয় দিনা এটাও উইকেট নেহেৰুৱাকৈ কালি সংগ্ৰহ কৰা ১৭২ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে ছৌদি আৰবৰ জেদ্দাহত আজি আৰু কাইলৈ নিলাম অনুষ্ঠিত হ'ব।

ooooo

বিজেপি নেতৃত্বাধীন মহাযুটি মৰ্চাই মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিপুল ভোটত জয়ী হৈছে। ইয়াৰ বিপৰীতে ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতৃত্বত আই এন ডি আই মিত্ৰজোঁটে ক্ষমতাৰ বাঘজৰী নিজৰ হাতত ৰাখিবলৈ সমৰ্থ হৈছে।

মহাৰাষ্ট্ৰৰ মুঠ ২৮৮ খন আসনৰ ভিৰতৰ বিজেপিয়ে ১৩২ খন  আসন লাভ কৰিছে। শিৱসেনাৰ একনাথ সিন্দে গোট ৫৭ খন আসনত জয়ী হৈছে। একেদৰে এন চি পিৰ অজিত পাৱাৰ গোটে ৪১ খন আসন হস্তগত কৰিছে। কংগ্ৰেছে ১৬, এন চি পিৰ শাৰদ পাৱাৰ গোটে ১০ খন আৰু শিৱসেনাৰ উদ্ধৱ থাকৰে গোটে ২০ খন আসন অৰ্জন কৰিছে। অন্যান্যসকলে ১২ খন আসন লাভ কৰিছে।

উল্লেখযোগ্য যে, মহাযুটি মৰ্চা বিজেপি, শিৱসেনা আৰু এন চি পিক লৈ গঠিত।

ইপিনে, ঝাৰখণ্ডৰ ৮১ খন আসনৰ ভিতৰত শাসকীয় ঝাৰখণ্ড মুক্তি মৰ্চাই ৩৪ খন, কংগ্ৰেছে ১৬ খন, আৰ জে ডিয়ে ৪ খন আসন লাভ কৰিছে। বিজেপি ২১ খন আসনত জয়ী হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ জয়ক সু-শাসন আৰু উন্নয়নৰ জয় বুলি অভিহিত কৰিছে। নতুন দিল্লীত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি দলীয় কৰ্মীসকলক সম্বোধন কৰি শ্ৰীমোদীয়ে নিৰ্বাচনী ফলাফলক নেতিবাচক ৰাজনীতিৰ পৰাজয় আখ্যা দিয়ে। তেওঁ কয়, যে জনসাধাৰণে কেইবাখনো ৰাজ্যত

অনুষ্ঠিত উপ নিৰ্বাচনতো বিজেপিৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে। তেওঁ লগত কয়, যে ইয়াৰ পৰা জনসাধাৰণে অকল উন্নয়নহে বিচাৰে সেয়া স্পষ্ট হৈ পৰিছে। প্ৰধানমন্ত্ৰীয়ে দলৰ প্ৰতি আস্থা প্ৰকাশ কৰাৰ বাবে মহিলা, খেতিয়ক আৰু যুৱ প্ৰজন্মক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয়, যে বিজেপি এইবাৰকে ধৰি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰত সৰ্ববৃহৎ দল ৰূপে পৰিগণিত হৈছে আৰু এয়া সঁচাকৈয়ে ঐতিহাসিক সাফল্য। এই জয় বিজেপিৰ শাসনৰ আৰ্হিৰ প্ৰতি মোহৰ স্বৰূপ বুলি শ্ৰীমোদীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে যেতিয়া সু-শাসনৰ কথা আহে দেশে অকল বিজেপি আৰু এন ডি এ-কহে বিশ্বাস কৰে। মহাৰাষ্ট্ৰই বিকশিত ভাৰতৰ সংকল্প সুদৃঢ় কৰা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

শ্ৰীমোদীয়ে কয়, যে বিজেপিয়ে লাভ কৰা জনসাধাৰণৰ বিপুল সমৰ্থনে আধুনিক ভাৰতে প্ৰগতি আৰু বিশ্বাসযোগ্য সু-শাসন বিচাৰে বুলি স্পষ্ট বাৰ্তা বহন কৰিছে। তেওঁ কয়, যে বিজেপি গোলকীয় মানৰ বিশ্ব স্তৰীয় আন্তঃগাঁথনিৰ প্ৰতি বদ্ধপৰিকৰ। প্ৰধানমন্ত্ৰীয়ে কংগ্ৰেছক সমালোচনা কৰি কয়, যে দলটোৱে অকল পৰিয়ালক গুৰুত্ব প্ৰদান কৰি আহিছে আৰু নাগৰিকসকলক আওকান কৰি পৰিয়ালক অগ্ৰাধিকাৰ প্ৰদান কৰা দল গণতন্ত্ৰৰ বাবে ভাবুকি স্বৰূপ। কংগ্ৰেছে তোষামোদৰ বাবে ভালেমান আইন প্ৰণয়ণ কৰিছে আৰু ৱাকফ ব'ৰ্ড এনে আইনৰ উদাহৰণ বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। তেওঁ কয়, যে সংবিধানত ৱাকফ আইনৰ কোনো স্থান নাই যদিও কংগ্ৰেছ ভোট বেংকৰ বাবেই এই আইনখন প্ৰণয়ন কৰিছিল। ২০১৪ চনত কংগ্ৰেছৰ শাসন সমাপ্ত হোৱাৰ পূৰ্বে দলটোৱে দিল্লীৰ সমীপত ভালেমান সম্পত্তি ৱাকফ ব'ৰ্ডলৈ হস্তান্তৰ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে।

শ্ৰীমোদীয়ে তেওঁৰ ভাষণত কয়, যে সমগ্ৰ দেশত এখন সংবিধানেই প্ৰযোজ্য হ'ব আৰু সেই সংবিধানখন বাবা চাহেব আম্বেদকাৰৰ সংবিধান। শ্ৰীমোদীয়ে কংগ্ৰেছ আৰু ইয়াৰ মিত্ৰ দলসমূহক কয়, যে বিশ্বৰ কোনো শক্তিয়ে ৩৭০ নম্বৰ অনুচ্ছেদ পুনৰ প্ৰৱৰ্তন কৰিব নোৱাৰে।

ooooo

ঝাৰখণ্ডত আই এন ডি আই মিত্ৰ জোঁটৰ বিধায়িনী দলৰ নেতা বাছনি কৰাৰ উদ্দেশ্যে আজি ৰাঁচীত মিত্ৰজোঁটটোৰ নৱনিৰ্বাচিত বিধায়কসকলৰ এখন বৈঠত অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী হেমন্ত চোৰেনৰ বাসগৃহত হ'বলগীয়া এই বৈঠকত ঝাৰখণ্ড মুক্তি মৰ্চা, কংগ্ৰেছ, আৰ জে ডি, চি পি আই এম এলৰ নৱনিৰ্বাচিত বিধায়কসকলে ভাগ ল'ব। সূত্ৰৰ পৰা জানিব পৰা মতে হেমন্ত চোৰেনে আই এন ডি আই মিত্ৰজোঁটৰ বিধায়িনী দলৰ নেতা হিচাপে বাছনি লাভ সম্ভাৱনা আছে। নেতা হিচাপে বাছনি লাভ কৰাৰ পাছত হেমন্ত চোৰেনে ৰাজ্যখনত নতুন চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰিব।

ooooo

সমগ্ৰ দেশত আজি নৱম শিখগুৰু টেগবাহাদুৰৰ ছহীদ দিৱস পালন কৰা হৈছে। ১৬৭৫ চনৰ আজি দিনটোতে গুৰু টেগবাহাদুৰে ধৰ্ম, মানৱীয় প্ৰমূল্য আদৰ্শ আৰু নীতি ৰক্ষাৰ বাবে জীৱন বলিদান দিছিল। গুৰু টেগ বাহাদুৰৰ বলিদানৰ এই দিনটো ছহীদ দিৱস হিচাপে পালন কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গুৰু টেগবাহাদুৰৰ ছহীদ দিৱস উপলক্ষে শিখ গুৰুগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তা যোগে কৈছে যে, টেগবাহাদুৰে মানৱতা আৰু ধৰ্ম ৰক্ষাৰ নামত প্ৰাণ আহুতি দিছিল। তেওঁ কয়, যে তেওঁ এগৰাকী মহান আধ্যাত্মিক গুৰু আৰু প্ৰকৃত দেশপ্ৰেমীক আছিল। তেওঁ মৰম, স্নেহ আৰু এককতাৰ প্ৰসাৰৰ বাবে কাম কৰিছিল আৰু জনসাধাৰণক সত্য আৰু ন্যায়ৰ বাবে যুঁজ দিবলৈ অনুপ্ৰাণিত

কৰিছিল বুলি ৰাষ্ট্ৰপতি মুৰ্মুৱে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে জনসাধাৰণক গুৰু টেগবাহাদুৰৰ শিকণিসমূহ আঁকোৱালি ল'বলৈ আৰু নিজৰ জীৱনত তেওঁৰ মহান আদৰ্শৰাজি অনুসৰণ কৰিবলৈ আহ্বান জনায়।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে  এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000

চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰিব। সংসদৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব আৰু ২০ ডিচেম্বৰত অধিৱেশনৰ সামৰণি পৰিব। অধিৱেশন কাইলৈ আৰম্ভ হ'লেও সংবিধান দিৱস উপলক্ষে পৰহিলৈ সংসদৰ বৈঠক অনুষ্ঠিত নহয়।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া 'ওড়িশা পাৰ্বা ২০২৪' কাৰ্যসূচীত অংশগ্ৰহণ কৰিব আৰু এই উপলক্ষে ভাষণ প্ৰদান কৰিব। ওড়িশা পাৰ্বা হৈছে নতুন দিল্লীৰ ওডিয়া সমাজ নামৰ এটা ন্যাসৰ দ্বাৰা পৰিচালিত এটা ধ্বজাবাহী অনুষ্ঠান । যাৰ জৰিয়তে ওডিয়া ঐতিহ্য সংৰক্ষণ আৰু প্ৰসাৰৰ চেষ্টা কৰা হয়।পৰম্পৰা অক্ষুণ্ণ ৰাখি এইবেলি ২২ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ ওড়িশা পাৰ্বাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ওড়িশাৰ চহকী ঐতিহ্য প্ৰদৰ্শন কৰাৰ লগতে বাৰেৰহণীয়া সাংস্কৃতিক ধৰণ আৰু সামাজিক-ৰাজনৈতিক নীতি প্ৰদৰ্শিত হৈছে।

00000

বিদেশ পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে তিনিদিনীয়া আনুষ্ঠানিক ভ্ৰমণসূচীৰে আজি ইটালীলৈ ৰাওনা হব। ইটালীৰ ফিউগীত তেওঁ জি চেভেন বিদেশ মন্ত্ৰীগোটৰ বৈঠকত অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীৰ বাবে ভাৰতক অতিথি ৰাষ্ট্ৰ হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। এই ভ্ৰমণকালত বিদেশ মন্ত্ৰীগৰাকীয়ে ইটালীকে ধৰি অন্যান্য অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসূহৰ সমকক্ষসকলক সাক্ষাৎ কৰাৰ লগতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ সময়তে বিদেশ পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ৰোমত অনুষ্ঠিত হ'বলগীয়া এম ই ডি ভূমধ্যসাগৰীয় আলোচনাৰ দশম সংস্কৰণতো অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালতে ড° জয়শংকৰে ৰোমত ভাৰতীয় দূতাবাসৰ নতুন চৌহদো উদ্বোধন কৰিব।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে ছৌদি আৰবৰ জেদ্দাহত আজি আৰু কাইলৈ নিলাম অনুষ্ঠিত হ'ব। এইবাৰকে একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নিলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বৰ্ষৰ বাবে ডুবাইত নিলাম অনুষ্ঠিত হৈছিল। এইবেলি  এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈসহ মুঠ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নিলামত ভাগ ল'বলৈ সন্মতি প্ৰকাশ কৰিছে। সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক লৈ দল গঠন কৰিব পৰা যাব আৰু নিলামৰ জৰিয়তে মুঠ ২০৪টা শ্ল'ট লাভ কৰিব পৰা যাব।

০০০০০

ভাৰতে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি তৃতীয় দিনা এটাও উইকেট নেহেৰুৱাকৈ কালি সংগ্ৰহ কৰা ১৭২ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। ভাৰতীয় সময় অনুসৰি পুৱা ৭ বাজি ৫০ মিনিটত খেল আৰম্ভ হ'ব।

আলহী দল ভাৰত অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ২১৮ ৰানত আগবাঢ়ি আছে। কাল দিনান্তত যশস্বী জয়ছোৱালে ৯০ আৰু কে এল ৰাহুলে ৬২ ৰান কৰি খেলি আছিল। যশস্বী জয়ছোৱালে কালি দুটাকৈ ছিক্স কোবাই আৰু ইয়াৰ সুবাদত খেলুৱৈগৰাকীক টেষ্ট ক্ৰিকেটৰ ইতিহাসত এটা খেল বৰ্ষত সৰ্বাধিক ছিক্স কোবোৱা বেটছমেন ৰূপে পৰিগণিত হয়। জয়ছোৱালে ২০২৪ বৰ্ষত ১২ খন খেলত ৩৪টা ছিক্স কোবাইছে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি ৭ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি ১০৪ ৰানত বাকী তিনিটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৫টা, হৰ্ষিত ৰানাই তিনিটা আৰু মহম্মদ চিৰাজে দুটা উইকেট দখল কৰে।

০০০০০

**সমাপ্ত**